world.” আনকি চুইজাৰলেণ্ড সংবিধানখনক জনসাধাৰণৰ প্ৰত্যক্ষ ভোটৰদ্বাৰা গ্ৰহণ কৰা হৈছে আৰু ইয়াক জনসাধাৰণৰ অনুমোদন সাপেক্ষে সংশোধন কৰিব পাৰি, আনহাতে আমেৰিতাক প্ৰত্যক্ষ গণতন্ত্ৰৰ ব্যৱস্থা নাই যদিও কিছুমান ৰাজ্যত গণভোট আৰু গণপ্ৰস্তাৱৰ প্ৰয়োগ আছে।

## চুইজাৰলেণ্ড ফেডাৰেল পদ্ধতিৰ বৈশিষ্ট্য (Features of the Swiss Federal System) ঃ

১। চুইজাৰলেণ্ড ফেডাৰেল পদ্ধতিৰ বহুতো বৈশিষ্ট্য পৰিলক্ষিত হয়। সংবিধান অনুসৰি চুইজাৰলেণ্ডক এখন কনফেডাৰেচন বলি আখ্যা দিয়া হৈছে। চুইজাৰলেণ্ড মুঠতে ২২ টা কেণ্টন আৰু ৬ টা অৰ্ধ কেণ্টন লৈ গঠিত। কিন্তু বাস্তৱ ক্ষেত্ৰত চুইজাৰলেণ্ডক এখন কনফেডাৰেচন বুলি আখ্যা দিব নোৱাৰি। ই এখন ফেডাৰেচনহে।

২। চুইজাৰলেণ্ডৰ সংবিধানখন লিখিত আৰু দৃঢ়। সংবিধানখন ১৮৪৮ চনত প্ৰণয়ন কৰা হৈছিল যদিও ইয়াৰ পিছত ১৮৭৬ চনত সম্পূৰ্ণভাৱে সংশোধন কৰা হয়। চুইজাৰলেণ্ড সংবিধানখন দৃঢ় প্ৰকৃতিৰ হোৱাৰ কাৰণে ইয়াক এক বিশেষ পদ্ধতি অৱলম্বন কৰি সংশোধন কৰা হয়। কিন্তু তুলনামূলকভাৱে চুইজাৰলেণ্ডৰ সংবিধান সংশোধন পদ্ধতি জটিল প্ৰকৃতিৰ হোৱাৰ কাৰণে ইয়াক ফেডাৰেল এচেম্বলীত অনুমোদনৰ উপৰিও সংখ্যাগৰিষ্ঠ চুইজাৰলেণ্ডৰ ভোটদাতা আৰু সংখ্যাগৰিষ্ঠ কেণ্টনৰ অনুমোদন আৱশ্যক হয়।

৩। চুইজাৰলেণ্ড ফেডাৰেচনৰ আন এটা বৈশিষ্ট্য হৈছে ক্ষমতা বিভাজন। আমেৰিকাৰ নিচিনাকৈ চুইজাৰলেণ্ডৰ যুক্তৰাষ্ট্ৰীয় পদ্ধতিতো ক্ষমতা বিভাজনৰ বিধান আছে। চুইজাৰলেণ্ড সংবিধানৰ যিবিলাক ক্ষমতা কেন্দ্ৰক দিয়া নাই আৰু যিবিলাক ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত কেণ্টনবিলাককো বাধা আৰোপ কৰা নাই, সেইবিলাক কেণ্টনে প্ৰয়োগ কৰিব পাৰে। “According to Article-3 of the Constitution Cantons are sovereigns so far as their sovereignty is not limited by the Federal Constitution, and, as such, they exercise all the rights which are not delegated to the federal power.” অৱশ্যে ফেডাৰেল চৰকাৰে সমৱৰ্তী সূচীত উল্লেখিত বিষয়ৰ ওপৰত আইন প্ৰণয়ন কৰিলে সেই আইন কেণ্টনবিলাকৰ ক্ষেত্ৰতো প্ৰযোজ্য হয়। গতিকে দেখা যায় চুইজাৰলেণ্ডৰ ফেডাৰেল পদ্ধতিত দুয়োটা চৰকাৰৰ ক্ষেত্ৰত ক্ষমতা প্ৰয়োগৰ বাধা আৰোপ কৰা হৈছে।

৪। কেণ্টনবিলাকৰ ক্ষমতা চুইজাৰলেণ্ড সংবিধানৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য। চুইজাৰলেণ্ডৰ ফেডাৰেল পদ্ধতিও প্ৰত্যেকটো কেণ্টনৰে সীমিত স্বাৰ্থভৌমত্ব আছে। সকলো কেণ্টনৰে ফেডাৰেল এচেম্বলীৰ উচ্চ সদনলৈ সমন সংখ্যক প্ৰতিনিধি পঠোৱাৰ বিধান আছে। ফেডাৰেল এচেম্বলীৰ উচ্চ সদন কাউঞ্চিল অৱ ষ্টেটচ মুঠতে ৪৪ জন সদস্য লৈ গঠিত। এই সদনটো গঠন কৰিবৰ কাৰণে প্ৰত্যেকটো কেণ্টনৰ পৰা দুজন আৰু অৰ্ধ কেণ্টনৰ পৰা এজনকৈ প্ৰতিনিধি নিৰ্বাচন কৰিব পাৰে। সেই অনুপাতে সংবিধানে সংশোধনী বিষয়তো কেণ্টনবিলাকৰ এটাকৈ ভোট আৰু অৰ্ধ কেণ্টনবিলাকৰ আধাকৈ ভোট দিব পাৰে।

৫। চুইজাৰলেণ্ডৰ ফেডাৰেল পদ্ধতিৰ আন এটা বৈশিষ্ট্য হৈছে যে ইয়াৰ প্ৰতিখন কেণ্টনৰ কাৰণে নিজাকৈ সংবিধান প্ৰণয়ন কৰাৰ বিধান আছে। অৱশ্যে কেণ্টনে প্ৰণয়ন কৰা সংবিধানবিলাক ফেডাৰেল সংবিধানৰ পৰিপন্থী হ'ব নালাগে। তদুপৰি গণতান্ত্ৰিক চৰকাৰৰ নিচিনাকৈ ইয়াৰ নাগৰিকৰ ৰাজনৈতিক অধিকাৰ থাকিব লাগে। সেই সংবিধানবিলাক দেশৰ সংখ্যাগৰিষ্ঠচ দাবী অনুসৰি সংশোধন কৰাৰ বিধান থাকিব লাগে।

৬। চুইজাৰলেণ্ড ফেডাৰেচনৰ কেণ্টনবিলাকক কেতবোৰ বিষয়ত বৈদেশিক ৰাষ্ট্ৰবিলাকৰ লগত চুক্তি সম্পাদন কৰাৰ কৰ্তৃত্বও প্ৰদান কৰিছে। কেণ্টনবিলাকে বিদেশী ৰাষ্ট্ৰৰ লগত প্ৰত্যক্ষ সম্পৰ্ক স্থাপন কৰাৰ উপৰিও ৰাজনৈতিক

আৰু অর্থনৈতিক বিষয়ত চুক্তি আদিও সম্পাদন কৰিব পাৰে। অৱশ্যে কেণ্টনবিলাকে বিদেশী ৰাষ্ট্ৰৰ লগত কৰা সেই চুক্তি ফেডাৰেচনৰ নাইবা আনকোনো কেণ্টনৰ স্বাৰ্থৰ পৰিপন্থী হ'ব নালাগে।

৭। আমেৰিকাৰ যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ নিচিনাকৈ চুইজাৰলেণ্ডৰ যুক্তৰাষ্ট্ৰীয় পদ্ধতিতো দ্বি-নাগৰিকত্বৰ বিধান আছে। ইয়াৰ ফলত এজন ব্যক্তিয়ে কেণ্টনৰ নাগৰিকত্ব লাভ কৰাৰ লগতে চুইজাৰলেণ্ডৰ নাগৰিকত্ব লাভ কৰে। "According to Article-43 of the Constitution every citizen of a Canton is a citizen of Switzerland."

৮। চুইজাৰলেম্ড ফেডাৰেল পদ্ধতিৰ ন্যায় পালিকাৰ ঊৰ্ধত ফেডাৰেল ট্ৰিবিউনেল আছে যদিও সেই ফেডাৰেল ট্ৰিবিউনেলৰ ন্যায়িক সমীক্ষা ক্ষমতা নাই। ইয়াৰ ফলত ফেডাৰেল এচেম্বলীয়ে কোনো অসংবিধানিক আইন প্ৰণয়ন কৰিলেও ফেডাৰেল ট্ৰিবিউনেলে তাক বাতিল কৰিব নোৱাৰে। "Article-113 of the Constitution states that the Federal Tribunal shall administer tha laws passed by the Federal Assembly and such decrees of that Assembly as are of general application." কিন্তু কেণ্টনে প্ৰণয়ন কৰা আইন সবিধান বহিৰ্ভূত হ'লে তাক ফেডাৰেল ট্ৰিবিউনেলে অসংবিধানিক বুলি ঘোষণা কৰিব পাৰে। ইয়াৰ পৰা দেখা যায় যে চুইজাৰলেম্ডৰ কেণ্টনবিলাকৰ ক্ষমতাৰ ক্ষেত্ৰত ফেডাৰেল চৰকাৰে হস্তক্ষেপ কৰিব পাৰে।

৯। চুইজাৰলেণ্ড ফেডাৰেল পদ্ধতিৰ আন এটা উল্লেখযোগ্য দিশ হৈছে যে ইয়াৰ ক্ষমতা কেন্দ্ৰীয় চৰকাৰ আৰু কেণ্টনবিলাকৰ মাজত দৃঢ়ভাৱে বিভাজন কৰা নাই। ইয়াৰ প্ৰশাসনীয় কিছুমান বিভাগ সম্পূৰ্ণভাৱে কেন্দ্ৰীয় চৰকাৰৰ বিষয়াৰদ্বাৰা নিয়ন্ত্ৰিত কৰা হৈছে। আনহাতে বহু বিভাগৰ ক্ষেত্ৰত ক্ষমতা বিভাজন সম্পূৰ্ণ কৰা নাই। উদাহৰণস্বৰূপে ফেডাৰেল কৰ্তৃপক্ষই আইন প্ৰণয়ন কৰিলেও কেণ্টনবিলাকে আদালতৰ সংগঠন বিচাৰকৰ নিযুক্তি আদি দায়িত্ব পালন কৰে। সেই অনুপাতে বহুতো আইন আছে যিবিলাক আইন কাৰ্যকৰী কৰিবৰ কাৰণে ফেডাৰেল কৰ্তৃপক্ষৰ কোনো প্ৰশাসনীয় গোট নাই। এনেপৰিস্থিতিত কেণ্টনবিলাকেই সেই দায়িত্ব পালন কৰে। সেই অনুপাতে ফেডাৰেল চৰকাৰে প্ৰণয়ন কৰা আইনৰ ভিত্তিত কেনেকৈ দেশৰ সেনা বাহিনী সংগঠন কৰিব লাগে সেই বিষয়ে বিধান থাকিলেও কেণ্টনবিলাককো নিজা সেনা বাহিনী ৰখাৰ অধিকাৰ প্ৰদান কৰিছে। এইদৰে বহু ক্ষেত্ৰত কেণ্টনবিলাকৰো কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা আইন কাৰ্যকৰী কৰা কৰ্তৃত্ব দেখা যায়।

**আমেৰিকাৰ ফেডাৰেচন লগত চুইজাৰলেণ্ডৰ ফেডাৰেচনৰ তুলনা (Comparison between American Federation and Swiss Federation) ঃ**

চুইজাৰলেণ্ডৰ ফেডাৰেচনৰ লগত আমেৰিকাৰ ফেডাৰেচনৰ কিছুমান বিষয়ত মিল আৰু কিছুমান বিষয়ত অমিল দেখা যায়। চুইজাৰলেণ্ড আৰু আমেৰিকা দুয়োখন ৰাষ্ট্ৰতে কেন্দ্ৰীয়কৰণ পদ্ধতিত ফেডাৰেচন গঠিত হৈছে। আমেৰিকা ফেডাৰেচন গঠনৰ সময়ত যিদৰে ১৩ খন স্বাধীন উপনিবেশে এটা কেন্দ্ৰীয় চৰকাৰক কিছুমান অধিকাৰ সমৰ্পণ কৰি ফেডাৰেচন গঠন কৰিছিল; সেইদৰে চুইজাৰলেণ্ডৰ কিছুমান স্বাধীন কেণ্টনে কেতবোৰ অধিকাৰ কেন্দ্ৰীয় চৰকাৰক সমৰ্পণ কৰি ফেডাৰেচন গঠন কৰিছিল।

চুইজাৰলেণ্ডত সংবিধান অনুসৰি এখন কনফেডাৰেচন গঠন কৰা হৈছে। কিন্তু কাৰ্যক্ষেত্ৰত চুইজাৰলেণ্ডক এখন কনফেডাৰেচন বুলি আখ্যা দিব নোৱাৰি। চুইজাৰলেণ্ডত এখন ফেডাৰেচনহে গঠন কৰা হৈছে। এই পেডাৰেনে ১৯ টা কেণ্টন ৬ টা অৰ্ধ কেণ্টন লৈ গঠিত হৈছে আৰু এই কেণ্টনবিলাকৰ স্বকীয় সংবিধান আছে। সেইদৰে